NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-10-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

**HEADLINES**

oooooooooo

১। গৃহ মন্ত্ৰালয়ে সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ কেন্দ্ৰীয় বিভাগ আৰু প্ৰশাসনসমূহক অহা ২৪ অক্টোবৰত ৰাষ্ট্ৰসংঘ দিৱস উপলক্ষে গুৰুত্বপূৰ্ণ ভৱনসমূহত ৰাষ্ট্ৰীয় পতাকাৰ সৈতে ৰাষ্ট্ৰসংঘৰ পতাকা উৰুৱাবলৈ অনুৰোধ কৰিছে।

২। ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৰে লেবাননত শীঘ্ৰে যুদ্ধ বিৰতিৰ আহ্বান জনাইছে।

৩। সমগ্ৰ বিশ্বতে আজি আন্তঃৰাষ্ট্ৰীয় দুৰ্য্যোগ আশংকা হ্ৰাসকৰণ দিৱস পালন কৰা হৈছে।

৪। চতুৰ্থ ভাৰত হকী জ্যেষ্ঠ মহিলা আন্তঃবিভাগীয় ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ কাইলৈ নতুন দিল্লীৰ মেজৰ ধ্যানচান্দ ষ্টেডিয়ামত আৰম্ভ হ'ব।

***আৰু***

৫। মহিলাৰ টি টুৱেণ্টি বিশ্বকাপ ক্ৰিকেটৰ গ্ৰুপ এৰ এখন খেলত সন্ধিয়া চাৰে সাত বজাত ভাৰত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব।

oooooooooo

গৃহ মন্ত্ৰালয়ে সকলো ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ কেন্দ্ৰীয় বিভাগ আৰু প্ৰশাসনসমূহক অহা ২৪ অক্টোবৰত ৰাষ্ট্ৰসংঘ দিৱস উপলক্ষে গুৰুত্বপূৰ্ণ ভৱনসমূহত ৰাষ্ট্ৰীয় পতাকাৰ সৈতে ৰাষ্ট্ৰসংঘৰ পতাকা উৰুৱাবলৈ অনুৰোধ কৰিছে। অৱশ্যে ৰাষ্ট্ৰপতি ভৱন, উপ-ৰাষ্ট্ৰপতিৰ বাসগৃহ, সংসদ ভৱন, উচ্চতম ন্যায়ালয় ভৱন, ৰাজভৱন, ৰাজনিৱাস অথবা বিধান পৰিষদৰ ভৱন, বিধানসভা আৰু উচ্চ ন্যায়ালয়সমূহত ৰাষ্ট্ৰসংঘৰ পতাকা উৰুৱাব নালাগে বুলি মন্ত্ৰালয়ে জাৰি কৰা এখন বিজ্ঞপ্তিত প্ৰকাশ কৰা হৈছে।

oooooooooo

নেচনেলিষ্ট কংগ্ৰেছ পাৰ্টী- এছ পিৰ মুৰব্বী শাৰদ পাৱাৰে আজি কৈছে যে, মহাৰাষ্ট্ৰৰ জনসাধাৰণ এটা ৰাজনৈতিক পৰিৱৰ্তনৰ বাবে অত্যন্ত আগ্ৰহেৰে বাট চাই আছে আৰু ৰাজ্যখনৰ সমাগত বিধানসভা নিৰ্বাচনৰ ফলাফলত জনসাধাৰণৰ আশা-আকাংক্ষা বাৰুকৈয়ে প্ৰতিফলিত হ'ব বুলি তেওঁ আস্থা প্ৰকাশ কৰে। মুম্বাইত আজি মহা বিকাশ অঘাড়ী মিত্ৰজোটৰ এখন যুটীয়া সংবাদমেলত তেওঁ এই কথা প্ৰকাশ কৰে।

এসময়ত দেশৰ সৰ্বোৎকৃষ্ট ৰাজ্য প্ৰশাসন হিচাপে বিবেচিত প্ৰশাসন ব্যৱস্থাৰ মনোবল মহাযুতিৰ শাসনকালত সম্পূৰ্ণৰূপে ভাঙি যায় বুলি তেওঁ লগতে দাবী কৰে। মহা বিকাশ অঘাড়ী মিত্ৰজোটে আইন-শৃংখলা পৰিস্থিতি, মহিলাৰ সুৰক্ষা, দুৰ্নীতি, কৃষকৰ আত্মহত্যা, প্ৰশ্নকাকত ফাদিল, নিবনুৱা সমস্যা আৰু মহাৰাষ্ট্ৰৰ পৰা উদ্যোগ স্থানান্তৰ আদি বিভিন্ন বিষয় সন্দৰ্ভত শাসনাধিষ্ঠিত মহাযুতী চৰকাৰখনক আক্ৰমণ কৰে। আজিৰ এই যুটীয়া সংবাদমেলত মহাৰাষ্ট্ৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী উদ্ধৱ থাকৰে, জ্যেষ্ঠ কংগ্ৰেছ নেতা তথা ৰাজ্যখনৰ প্ৰাক্তন মুখ্যমন্ত্ৰী পৃথ্বীৰাজ চাৱন, এন চি পি-এছ পিৰ কাৰ্য্যকৰী সভাপতি সুপ্ৰিয়া সুলে, শিৱসেনা-ইউ বি টিৰ জ্যেষ্ঠ নেতা সঞ্জয় ৰাউট আৰু আদিত্য থাকৰে, মহাৰাষ্ট্ৰ কংগ্ৰেছৰ সভাপতি নানা পাটোলে, বিধানসভাত বিৰোধী নেতা বিজয় ৱাডেট্টিৱাৰ, কংগ্ৰেছ নেতা তথা সাংসদ বৰ্ষা গায়কোৱাড়ৰ লগতে অন্যান্য নেতাসকলো উপস্থিত আছিল।

মহা বিকাশ অঘাড়ীৰ নেতাসকলে এন চি পিৰ জ্যেষ্ঠ নেতা তথা মহাৰাষ্ট্ৰৰ প্ৰাক্তন মন্ত্ৰী বাবা চিদ্দিকিৰ হত্যাকাণ্ডৰ বাবে ৰাজ্য চৰকাৰক সমালোচনা কৰে। বিজেপিক আক্ৰমণ কৰি উদ্ধৱ থাকৰেই কয় যে, নিৰ্বাচনত জয়ী হ'লে মহাৰাষ্ট্ৰ বিকাশ অঘাড়ী মিত্ৰজোটে ঘৃণাৰ ৰাজনীতিৰ পৰিৱৰ্তে উন্নয়নৰ ৰাজনীতিত গুৰুত্ব দিব।

000000000

লোকসভাৰ অধ্যক্ষ ওম বিৰলাই আজিৰে পৰা ১৭ অক্টোবৰলৈ জেনেভাত হ'বলগীয়া আন্তঃসংসদীয় সংঘ আই-পি-ইউৰ ১৪৯ সংখ্যক বৈঠকত অংশগ্ৰহণ কৰিবলগীয়া সংসদীয় প্ৰতিনিধি দলৰ নেতৃত্ব বহন কৰিব। শ্ৰীবিৰলাই বৈঠকত শান্তিপূৰ্ণ আৰু বহনক্ষম ভৱিষ্যতৰ বাবে বিজ্ঞান, প্ৰযুক্তি আৰু উদ্ভাৱণৰ ব্যৱহাৰ সন্দৰ্ভত ভাষণ দিব। তেওঁ লগতে আন্তঃসংসদীয় সংঘৰ পৰিচালনা পৰিষদৰ বৈঠকত ভাগ ল'ব আৰু কাইলৈ জেনেভাত প্ৰৱাসী ভাৰতীয়সকলক সাক্ষাৎ কৰিব। ইয়াৰ উপৰি তেওঁ বৈঠকত ভাগ লোৱাৰ সুযোগতে অন্য দেশত সংসদৰ অধ্যক্ষ সকলকো দেখা কৰিব।

বৈঠকত অংশগ্ৰহণ কৰিবলগীয়া সংসদীয় প্ৰতিনিধি দলটোত ৰাজ্যসভাৰ উপ সভাপতি হৰিবংশ সিং, উভয় সদনৰ সচিব প্ৰধান আৰু সংসদৰ অন্য কেইবাগৰাকী সাংসদ আছে।

আন্তঃসংসদীয় সংঘৰ ১৮০ খন সদস্য সংসদ আৰু ১৫ খন সহযোগী সদস্য আছে। সদস্য সংসদসমূহৰ ভিতৰত ভাৰত, চীন আৰু ইণ্ডোনেছিয়াৰ দৰে বৃহৎ দেশৰ লগতে কাবো ৱেৰ্ডে, ছেণ্ট মেৰিনো আৰু পলাউৰ দৰে ক্ষুদ্ৰ ৰাষ্ট্ৰৰ সংসদো আছে।

000000000

ফ্ৰান্সৰ ৰাষ্ট্ৰপতি ইমানুৱেল মেক্ৰ'ৱে লেবাননত শীঘ্ৰে যুদ্ধ বিৰতিৰ আহ্বান জনাইছে। লেবাননৰ সংসদৰ অধ্যক্ষ নবিহ বেৰীৰ সৈতে হোৱা টেলিফোনেৰে হোৱা কথা-বতৰাত তেওঁ লেবাননত শীঘ্ৰে যুদ্ধ বিৰতিৰ প্ৰয়োজন বুলি মত প্ৰকাশ কৰে। তেওঁ লগতে লেবাননত ইজৰাইলৰ আক্ৰমণ তথা অসামৰিক লোকসকল ক্ষতিগ্ৰস্ত হোৱা সন্দৰ্ভত উদ্বিগ্নতা প্ৰকাশ কৰে। বেৰীৰ সৈতে হোৱা তেওঁৰ বাৰ্তালাপত মেক্ৰ'ৱে লেবাননৰ স্থিতাৱস্থাৰ স্বাৰ্থত দেশখনৰ জনসধাৰণক একত্ৰিত হ'বলৈ আহ্বান জনায়। তেওঁ লগতে সকলো দলক ৰাষ্ট্ৰীয় একতাৰ নিশ্চয়তা প্ৰদান কৰা এগৰাকী ৰাষ্ট্ৰ প্ৰধান নিৰ্বাচন কৰাকে ধৰি এটা সৰ্বাত্মক ৰাজনৈতিক কাৰ্য্যসূচী গ্ৰহণ কৰাৰ জৰিয়তে এই নতুন প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলৈও আহ্বান জনায়।

ফ্ৰান্সৰ ৰাষ্ট্ৰপতিগৰাকীয়ে অহা ২৪ অক্টোবৰত পেৰিছত অনুষ্ঠিত হ'বলগীয়া আন্তঃৰাষ্ট্ৰীয় সন্মিলনত লেবাননৰ জনসাধাৰণ তথা দেশখনৰ সাৰ্বভৌমত্বৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ আন্তঃৰাষ্ট্ৰীয় সম্প্ৰদায়ৰ প্ৰতি আহ্বান জনাব বুলিও প্ৰকাশ কৰে।

ooooooooo

সমগ্ৰ বিশ্বতে আজি আন্তঃৰাষ্ট্ৰীয় দুৰ্য্যোগ আশংকা হ্ৰাসকৰণ দিৱস পালন কৰা হৈছে। সমগ্ৰ বিশ্বতে দুৰ্য্যোগৰ আশংকা হ্ৰাস কৰা তথা এই সন্দৰ্ভত সজাগতা সৃষ্টিৰ সংস্কৃতি গঢ়ি তোলাৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়। এই বছৰ এই দিৱসৰ বিষয়বস্তু হৈছে স্থায়ী ভৱিষ্যতৰ বাবে পৰৱৰ্তী প্ৰজন্মৰ সৱলীকৰণ। এই বিষয়বস্তুৱে  দুৰ্য্যোগমুক্ত ভৱিষ্যতৰ বাবে যুৱ সমাজৰ সৱলীকৰণৰ লগতে তেওঁলোকক সুৰক্ষা প্ৰদানত শিক্ষাৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰা হৈছে। এই বছৰ শিক্ষাৰ জৰিয়তে শিশুসকলক সৱল কৰি তোলাৰ লগতে নিজকে সুৰক্ষিত কৰি পৰিয়াল তথা সমাজৰ পৰিৱৰ্তনত প্ৰতিনিধিত্ব কৰিব পৰাকৈ তেওঁলোকক সজাগ কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছে।

ooooooooo

প্ৰধানমন্ত্ৰী ইণ্টাৰ্ণশ্বিপ আঁচনিৰ বাবে pminternship.mca.gov.in প'ৰ্টেল যোগে পঞ্জীয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ২৫ অক্টোবৰত এই প্ৰক্ৰিয়াৰ সামৰণি পৰিব। ১৯৩টা কোম্পানীয়ে বৰ্তমানলৈকে প'ৰ্টেলটোৰ জৰিয়তে প্ৰায় ৯১ হাজাৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ আগবঢ়াইছে। চৰকাৰে ২০২৪-২৫ বিত্তীয় বৰ্ষত ১ লাখ ২৫ হাজাৰ ইণ্টাৰ্ণশ্বিপৰ সুযোগ প্ৰদান কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। এই পৰীক্ষামূলক প্ৰকল্পৰ বাবে মুঠ ৮০০ কোটি টকা ব্যয় কৰা হ'ব। চৰকাৰে এই আঁচনিৰ অধীনত ৫ বছৰৰ বাবে ২১ৰ পৰা ২৪ বছৰ বয়সৰ ১ কোটি প্ৰাৰ্থীক এবছৰৰ ইণ্টাৰ্ণশ্বিপ প্ৰদানৰ লক্ষ্য ধাৰ্য কৰিছে। এই আঁচনিৰ অধীনৰ প্ৰাৰ্থীসকলে এবছৰৰ  বাবে মাহে ৫ হাজাৰ টকা বিত্তীয় সাহায্য আৰু ছহেজাৰ টকাৰ এককালীন অনুদান লাভ কৰিব। সূত্ৰৰ পৰা জানিব পৰা মতে, দেশৰ ৩৬ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৭৩৭ খন জিলাত তেল, গেছ আৰু শক্তি, ভ্ৰমণ আৰু আতিথ্য, যান-বাহন আৰু বেংকিং তথা বিত্তীয় সেৱাসহ ২৪টা খণ্ডত ইণ্টাৰ্ণশ্বিপৰ এই সুযোগ উপলভ্য হ'ব। এই পৰীক্ষামূলক প্ৰকল্পৰ বাবে বিগত ৩ বছৰত কোম্পানীৰ সামাজিক দায়িত্বৰ অধীনত ব্যয় কৰা গড় ধনৰ ভিত্তিত শীৰ্ষ কোম্পানীসমূহ বাছনি কৰা হৈছে। এই আঁচনিত কোম্পানীসমূহৰ অংশগ্ৰহণ স্বেচ্ছামূলক। ইয়াৰ উপৰি আঁচনিৰ প্ৰতি আগ্ৰহী অন্য কোম্পানী, বেংক অথবা বিত্তীয় প্ৰতিষ্ঠানে কোম্পানী পৰিক্ৰমা মন্ত্ৰালয়ৰ অনুমোদন সাপেক্ষে আঁচনিখনত অংশগ্ৰহণ কৰিব পাৰিব।

ooooooooo

কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা প্ৰাধিকৰণ CCPA-এ যাতায়াতৰ বাবে থকা মঞ্চ অ'লাক গ্ৰাহকসকলক পছন্দ অনুসৰি, ধন প্ৰত্যৰ্পণৰ পদ্ধতি বাছনি কৰাৰ সুবিধা দিবলৈ নিৰ্দেশ দিছে। প্ৰাধিকৰণে সংস্থাটোক গ্ৰাহকসকলৰ অভিযোগ নিষ্পত্তি প্ৰক্ৰিয়াত পোনপটীয়াকৈ তেওঁলোকৰ বেংক একাউণ্টত অথবা কুপণ পদ্ধতিৰ জৰিয়তে ধন প্ৰত্যৰ্পণৰ সুবিধা দিবলৈ নিৰ্দেশ দিয়ে। তদুপৰি গ্ৰাহকসকলক বিল বা ৰচিদ প্ৰদান কৰিবলৈও অ'লাক নিৰ্দেশ দিয়া হৈছে। এই পৰামৰ্শাৱলীৰ জৰিয়তে সংস্থাটোৰ সেৱা প্ৰদান অধিক স্বচ্ছ হৈ উঠিব বুলি আশা কৰা হৈছে।

ooooooooo

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা চাৰি দিনত তামিলনাডু, পুডুচেৰী, কাৰাইকাল, কেৰালা আৰু অন্ধ্রপ্রদেশৰ উপকূলীয় অঞ্চলত প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি আগলি বতৰা দিছে। বিভাগে লগতে গুজৰাট, কোংকণ, গোৱা, মধ্য মহাৰাষ্ট্ৰ, মাৰাথৱাড়া, মধ্য প্ৰদেশ, বিদৰ্ভ আৰু ছত্তিশগড়তো এই সপ্তাহটোত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। দক্ষিণ-পশ্চিম মৌচুমী বতাহজাক, বিহাৰৰ বাকী থকা অঞ্চল, ঝাৰখণ্ড, সমগ্ৰ পশ্চিমবংগ, ছিকিম আৰু ছত্তিশগড়ৰ আৰু অধিক অংশ, মধ্য প্ৰদেশ, ওড়িশা, অসম আৰু মেঘালয়ৰ পৰা আঁতৰি গৈছে বুলি বতৰ বিজ্ঞান বিভাগৰ কাৰ্য্যালয়ে প্ৰকাশ কৰিছে।

০০০০০০০০০

মহিলাৰ টি টুৱেণ্টি ক্ৰিকেট বিশ্বকাপৰ গ্ৰুপ বিৰ এখন খেলত আজি ইংলেণ্ডে স্কটলেণ্ডক ১০ উইকেটত পৰাস্ত কৰে। শ্বাৰজাহত অনুষ্ঠিত খেলখনত ১১০ ৰাণৰ বিজয় লক্ষ্যৰে খেলিবলৈ লোৱা ইংলেণ্ডে ১০ অভাৰ খেলিবলৈ বাকী থকা অৱস্থাতেই ১১৩ ৰাণ কৰি বিজয় সাব্যস্ত কৰে। খেলখনত স্কটলেণ্ডে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লয় আৰু নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১০৯ ৰাণ কৰে।

ইপিনে, আজি গ্ৰুপ এৰ এখন খেলত সন্ধিয়া চাৰে সাত বজাত ভাৰত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব।

আনহাতে, পুৰুষ ক্ৰিকেটৰ প্ৰথমখন টি টুৱেণ্টি খেলত আজি  শ্ৰীলংকা আৰু ৱেষ্ট ইণ্ডিজৰ মুখামুখি হৈছে।

০০০০০০০০০

দিল্লী আৰক্ষীয়ে দীপাৱলীৰ পূৰ্বে ৰাজধানী চহৰখনত এহেজাৰ ৩২৩ কিলোগ্ৰাম অবৈধ আতচবাজি জব্দ কৰে। ঘটনা সন্দৰ্ভত এজন বাহন চালককে ধৰি ৩ গৰাকী লোকক গ্ৰেপ্তাৰ কৰা হৈছে। অভিযুক্ত লোককেইজনে অবৈধ আতচবাজিসমূহ দিল্লী এন চি আৰ অঞ্চললৈ সৰবৰাহ কৰিছিল বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০০০০

সমাপ্ত